# Telephone conversation between Prime Minister and President of Philippines

June 09, 2020

## প্ৰধানমন্ত্ৰী আৰু ফিলিপাইনৰ ৰাষ্ট্ৰপতিৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

জুন 09, 2020

প্ৰধানমন্ত্ৰীয়ে আজি ফিলিপাইনৰ ৰাষ্ট্ৰপতি মহামান্য ৰড্ৰিগ ডুটাৰ্টিৰ সৈতে টেলিফোনযোগে বাৰ্তালাপ কৰে, যত তেওঁলোকে ক'ভিড-19 মহামাৰীৰ ফলত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত দুয়োখন দেশৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে।

দুয়োগৰাকী নেতাই বৰ্তমান এই স্বাস্থ্য সংকটৰ সময়ত পৰস্পৰে পৰস্পৰৰ দেশৰ নাগৰিকসকলৰ কল্যাণ আৰু তেওঁলোকক দেশলৈ উভতাই অনিবলৈ আগবঢ়োৱা সহযোগিতাৰ শলাগ লয়। ফিলিপাইনলৈ প্ৰয়োজনীয় ঔষধপাতি যোগান ধৰাৰ কাৰণে ভাৰতে গ্ৰহণ কৰা পদক্ষেপৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি ডুটাৰ্টিক আশ্বাস দিয়ে যে মহামাৰীৰ বিৰুদ্ধে যুঁজত ভাৰতে ফিলিপাইনছক সহায় কৰিবলৈ সংকল্পবদ্ধ আৰু জোৰ দি কয় যে সুলভ মূল্যত ঔষধজাত পণ্য তৈয়াৰ কৰাৰ ক্ষেত্ৰত ভাৰতৰ সুপ্ৰতিষ্ঠিত ক্ষমতা আছে, আৰু ভৱিষ্যতে যদি প্ৰতিষেধক আৱিষ্কাৰ হয় তেতিয়াহলে তাৰ সুফল সমগ্ৰ মানৱ জাতিয়ে লাভ কৰাটো ভাৰতে নিশ্চিত কৰিব।

দুয়োগৰাকী নেতাই সম্প্ৰতি প্ৰতিৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা সহ দ্বিপাক্ষিক সম্পৰ্কৰ উন্নয়নত সন্তোষ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে জোৰ দি কয় যে বাৰতে ফিলিপাইনছক ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ এক মুখ্য অংশীদাৰ হিচাপে গণ্য কৰে।

প্ৰধানমন্ত্ৰীয়ে ফিলিপাইনছৰ ৰাষ্ট্ৰপতি আৰু দেশখনৰ নাগৰিকক আগন্তুক ৰাষ্ট্ৰীয় দিৱসৰ শুভকামনা জ্ঞাপন কৰে।

**নতুন দিল্লী**
**জুন 09, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.